অধ্যায় ৩ ঃ অসমৰ ৰাজ্য গঠন প্ৰক্ৰিয়া

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ আহোম ৰাজ্য

৩.৪ জনজাতীয় অধিপতিসকল

৩.৫ অসম বৃটিছ সাম্ৰাজ্যত চামিলভৱন

৩.৬ অসমৰ পৰা সৃষ্ট ভিন্ ভিন্ ৰাজ্যবোৰ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্ৰগতিৰ খতিয়ান

৩.১০ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমত আহোম ৰাজ্য গঠনৰ প্ৰক্ৰিয়া সম্বন্ধে জানিব পাৰিব
- জনজাতীয় অধিপতিসকলৰ শাসন সম্পৰ্কে জানিব পাৰিব
- বৃটিছ সাম্ৰাজ্যত অসমৰ চামিলভৱন প্ৰক্ৰিয়াটো ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ ঔপনিৱেশিক কালত অসমৰ পৰা আঁতৰাই নি সৃষ্টি কৰা নতুন ৰাজ্যবোৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ পূৰ্বৰ অধ্যায়ত আমি উত্তৰ-পূব ভাৰতৰ অৱস্থিতি আৰু পৰিবেশতন্ত্ৰৰ বিষয়ে পঢ়িলো। পাঠ্যবিষয়ৰ এইটো তৃতীয় অধ্যায়। ইয়াৰ শিৰোনাম 'অসমৰ ৰাজ্য গঠন প্ৰক্ৰিয়া'।

অসমৰ ৰাজ্য গঠন প্ৰক্ৰিয়াটোৰ এটা সুদীৰ্ঘ ঐতিহাসিক পটভূমি আছে। অসমত ত্ৰয়োদশ শতিকাত আহোমসকলৰ আগমন ঘটাৰ সময়ৰে পৰা ৰাজ্য গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। প্ৰায় একে সময়তে অসমৰ বহুকেইটা জনজাতি সম্প্ৰদায়েও ৰাজ্য গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। দুয়োটা বিষয় অধ্যায়টিত আলোচনা কৰা হৈছে। জনজাতি ৰাজ্যবোৰৰ বিষয়ে 'জনজাতীয় অধিপতিসকল' শীৰ্ষক শাখাটোত আলোচনা কৰা হৈছে। এটা উল্লেখনীয় কথা হ'ল বৃটিছসকলে অসমৰ সৈতে বহু আগৰেপৰাই বিভিন্ন আন্তঃক্ৰিয়া সম্পন্ন কৰিছিল, যদিও ১৮২৬ চনতহে যথেষ্ট পলমকৈ অসমক আনুষ্ঠানিকভাৱে নিজ সাম্ৰাজ্যৰ অধীন কৰিছিল। ঔপনিৱেশিক শাসন চলি থকাৰ সময়তে অসমত গা কৰি উঠা আন এক ৰাজনৈতিক গতিবিধি আছিল পৃথক ৰাজ্য

সৃষ্টিৰ দাবী। ইয়াৰ ফলস্বৰূপে কালক্ৰমত অসমক খণ্ডিত কৰি আন কেইবাখনো পৃথক ৰাজ্য সৃষ্টি কৰা হয়।

৩.৩ আহোম ৰাজ্য

আহোমসকলক অসমৰ (তেতিয়াৰ অবিভক্ত অসমৰ) সৰ্বশ্ৰেষ্ঠ শাসক বুলি গণ্য কৰা হয়। তেওঁলোক ত্ৰয়োদশ শতিকাত অসমলৈ আহিছিল। আহোমসকলক টাই জাতিৰ শান বংশৰ লোক বুলি জনা যায়। এছিয়াৰ বিভিন্ন অঞ্চলত টাইসকলে বাস কৰি আহিছে। অঞ্চল ভেদে তেওঁলোকক বেলেগ বেলেগ নামেৰে জনা যায়। উদাহৰণ স্বৰূপে তেওঁলোক ম্যানমাৰত শান নামেৰে, লাওচত লাওচ নামেৰে, থাইলেণ্ডত থাই নামেৰে, চীনত দাই নামেৰে আৰু ভিয়েটনামত টে'-থাই নামেৰে পৰিচিত। অসমত আহোম ৰাজ্যৰ প্ৰতিষ্ঠাপক চুকাফাৰ জন্ম হৈছিল বাৰ্মাৰ মাউলুঙত। তেওঁ ১২২৮ চনত বাৰ্মাৰ পৰা পাটকাই পাহাৰ বগাই পাৰ হৈ অসমত প্ৰৱেশ কৰিছিল। চুকাফাই ব্ৰহ্মপুত্ৰেৰে অসমৰ বিভিন্ন স্থান পৰিভ্ৰমণ কৰিছিল। তেওঁ পোন প্ৰথমে টিপামত আহোমসকলৰ ৰাজধানী পাতিছিল। পাচত তেওঁ অভয়পুৰত আৰু তাৰ পৰা ক্ৰমে শিৱসাগৰৰ নাজিৰা আৰু শিমলুগুৰিলৈ ৰাজধানী স্থানান্তৰ কৰিছিল। ১২৫৩ চনত তেওঁ অৱশেষত চৰাইদেওত আহোমৰ স্থায়ী ৰাজধানী পাতিছিল।


প্ৰথম আহোম ৰজা চুকাফাক আক্ৰমণকাৰী বুলি ধৰা নহয়। কাৰণ, তেওঁ অসমৰ স্থানীয় লোকৰ প্ৰতি শান্তিপূৰ্ণ মনোভাৱ প্ৰদৰ্শন কৰিছিল। আহোমসকল জ্যোতিষ শাস্ত্ৰ আৰু কৃষি কৰ্মত পাকৈত আছিল বুলি প্ৰমাণিত হৈছে। অসমৰ স্থানীয় জনজাতিসকল এই দিশত দুৰ্বল আছিল। তথাপিও চুকাফাই সকলোৰে সৈতে বন্ধুত্ব আৰু সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখিছিল।তেওঁ নিজেও সাধাৰণ লোকৰ দৰে জীৱন যাপন কৰিছিল। সেয়েহে খিলঞ্জীয়া জনগোষ্ঠীবোৰে আহোমসকলক কৃষিকাৰ্যত ব্যৱহাৰ কৰিবলৈ আৰু খাদ্য ৰূপে জীৱ-জন্তু আগবঢ়াইছিল। ইয়াৰ ফলত আহোমসকলে নতুনকৈ পতা ৰাজ্যখনৰ কাম-কাজ সহজভাৱে পৰিচালনা কৰিব পাৰিছিল। মটকসকলে আহোম ৰাজ্যৰ ইন্ধন যোগান ধৰোঁতা আৰু ফল-মূলৰ বাগিচাৰ ৰখীয়াৰূপে সেৱা আগবঢ়াইছিল। বৰাহীসকলে আহোম ৰাজ্যত খৰিকটীয়া, খানচামা অৰ্থাৎ খাদ্যৰ বাবে পোহা চৰাইৰ চোৱা-চিতাৰ দায়িত্ব পালন কৰিছিল। আহোমসকলে ইয়াৰ বিনিময়ত স্থানীয় জনজাতিবোৰৰ সৈতে সৌহাৰ্দপূৰ্ণ আচৰণ কৰিছিল। চুকাফাই তেওঁলোকক সৈন্যবাহিনীত যোগ দিয়াৰ সুবিধাকে ধৰি আন বহুতো সা-সুবিধা আগবঢ়াইছিল। আহোমসকলক উদাৰমনা বুলি কোৱা হয়। আহোমসকলে স্থানীয় জনজাতিবোৰৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপন কৰাটোক এই উদাৰতাৰ নিদৰ্শন বুলি ধৰা হয়। আহোম ৰজা চুহুংমুঙে এগৰাকী মণিপুৰী ৰাজকুমাৰীক বিয়া কৰাইছিল। আন এজন আহোম ৰজা গদাধৰৰ পত্নী আছিল নগা ৰাজকুমাৰী। চুকাফাই তেওঁক সহায় কৰা জনজাতিবোৰৰ সৈতে শান্তিপূৰ্ণ সহাৰস্থান কৰিছিল যদিও তেওঁক প্ৰত্যাহ্বান জনোৱা জনজাতিবোৰক বলেৰে দমন কৰাৰ নীতি মানি চলিছিল। অসমত আহোমসকলৰ উত্থান আৰু ৰাজ্য বিস্তাৰে ইয়াকে প্ৰমাণ কৰিছিল যে অঞ্চলটোত লাহে লাহে

আৰ্যসকলৰ ভূমিকা তথা প্ৰভাৱ স্তিমিত হৈ পৰিছিল। ইয়াৰ ফলত পশ্চিম দিশতকৈ পূৱ দিশে থকা অঞ্চলবোৰৰ সৈতে অসমৰ সম্পৰ্ক বৃদ্ধি পাইছিল।

আহোম ৰাজ্য উচ্চমানৰ আমোলাতন্ত্ৰ, প্ৰশাসন পদ্ধতি আৰু সু-পৰিকল্পিত জলসিঞ্চন ব্যৱস্থাৰ বাবে প্ৰসিদ্ধ। আহোম প্ৰশাসনিক সংৰচনাৰ শৃংখলাবদ্ধ ৰূপটোৰ কৃতিত্ব প্ৰায়েই স্বৰ্গদেউ প্ৰতাপ সিংহক দিয়া হয়। তেওঁ ৰাজ্য প্ৰশাসনৰ বিভিন্ন বিভাগৰ তদাৰক কৰিবলৈ বিভিন্ন বিষয়াক নিযুক্তি দিব পৰাকৈ বহুতো পদবীৰ সৃষ্টি কৰিছিল বুলি জনা যায়। এনে এটা পদবীৰ উদাহৰণ হ'ল 'কটকী'। এই পদবীধাৰী বিষয়াবোৰক জনজাতি সম্প্ৰদায়বোৰৰ কাম-কাজৰ তদাৰক কৰিবলৈ নিযুক্তি দিয়া হৈছিল। স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত বিকাশ ঘটা আন দুটা তাৎপৰ্যপূৰ্ণ প্ৰশাসনীয় ব্যৱস্থা হ'ল 'পাইক প্ৰথা' আৰু 'পোচা প্ৰথা'। 'পোচা'ক এক ধৰণৰ মূল্য পৰিশোধ ব্যৱস্থা বুলিব পাৰি। সাধাৰণতে খাদ্যশস্য, পোহনীয়া গৰু-ম'হ আদিৰে মূল্য পৰিশোধ কৰা হৈছিল। পাহাৰৰ পাদদেশত বাস কৰা গাঁওৰ বাসিন্দাই পাহাৰীয়া জনজাতিবোৰক পোচা প্ৰথাৰে এনেদৰে খাদ্যশস্য নাইবা পোহনীয়া জীৱ-জন্তু আগবঢ়াইছিল। ইয়াৰ দ্বাৰা পাহাৰীয়া জনজাতিবোৰক সম্পদৰ সন্ধানত নামি আহি সমতলৰ বাসিন্দাৰ ওপৰত উপদ্ৰৱ চলোৱাৰ পৰা বিৰত ৰখা হৈছিল।

পাইক প্ৰথা অনুসৰি সমাজৰ পুৰুষ সদস্য (প্ৰায় ১৬-৫০ বছৰীয়া) সকলে ৰাজ্যৰ সেৱা কৰিব লাগিছিল। সমাজৰ এই সদস্যসকলক 'পাইক' নাম দিয়া হৈছিল। তিনিৰ পৰা চাৰিজন পাইকেৰে একোটা 'গোট' গঠিত হৈছিল। সুনিৰ্দিষ্ট কাম অনুসৰি পাইকসকলক বিভিন্ন প্ৰকাৰত ভগোৱা হৈছিল। উদাহৰণ স্বৰূপে 'দেৱলীয়া পাইক' সকলে সত্ৰ আৰু মন্দিৰত কাম কৰিছিল। 'কাড়ী পাইক' সকল আছিল ধনুৰ্বিদ। পাইকসকলৰ কাম-কাজ পৰিচালনা কৰিবলৈ আহোম প্ৰশাসনে 'বৰা'ৰ দৰে আন বহুকেইটা পদবীৰ সৃষ্টি কৰিছিল। 'বৰা' সকলৰ প্ৰতিজনে ২০ জন পাইকৰ কাম- কাজ পৰিচালনা কৰিছিল, 'হাজৰিকা' সকলৰ প্ৰতিজনে এশজন পাইকৰ দায়িত্ব লাভ কৰিছিল।

শক্তিশালী আহোমসকলে অসমত ছশ বছৰ ৰাজত্ব কৰিছিল। আজিও কৃষি, জলসিঞ্চন, আমোলাতন্ত্ৰ আৰু ব্যৱস্থাপনাৰ দৰে বিভিন্ন দিশত আহোম শাসনকালত হোৱা মহিমামণ্ডিত বিকাশৰ কথা প্ৰায়েই স্মৰণ কৰা হয়। কেইবা শতিকা জোৱা শাসনৰ অন্তত পৰিচালনা, ব্যৱস্থাপনা আৰু ৰাজনৈতিক দিশত হোৱা বিভিন্ন ত্ৰুটি -বিচ্যুতিৰ বাবে এসময়ত আহোম ৰাজত্বৰ পতন ঘটিছিল। আহোম শাসনৰ পতনত অৱিহণা যোগোৱা এটা তাৎপৰ্যপূৰ্ণ দিশ হ'ল সামৰিক দুৰ্বলতা। যদিও আহোম সামৰিক ব্যৱস্থাটো অতি শক্তিশালী আছিল তথাপিও বাৰ্মা আৰু বৃটিছৰ সামৰিক ব্যৱস্থাত আধুনিক প্ৰযুক্তি তথা কৌশলৰ সংযোজন ঘটাৰ ফলত আহোম সামৰিক শক্তি আওপুৰণি আৰু সময়তকৈ পিচপৰা হৈ পৰিছিল। তদুপৰি আহোম সামৰিক বাহিনীত শক্তিশালী নেতা আৰু অধিনায়কৰ অভাৱ ঘটিছিল। ১৭৬৯ চনৰ মোৱামৰীয়া বিদ্ৰোহে আহোমসকলৰ বাবে গুৰুতৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। এই বিদ্ৰোহৰ লক্ষ্য আছিল অঞ্চলটোত সমতা স্থাপন আৰু স্বাধীনতা প্ৰতিষ্ঠা কৰা। এই আটাইবোৰ কাৰকে মিলি শক্তিশালী আহোম ৰাজ্যৰ পতনত উল্লেখযোগ্য অৱদান আগবঢ়াইছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আহোমসকল অসমলৈ কেতিয়া আহিছিল? প্ৰথম আহোম ৰজাজনৰ নাম কি আছিল?

প্ৰশ্ন নং ২ ঃ আহোম ৰাজত্বলৈ খ্যাতি কঢ়িয়াই অনা দিশবোৰ কি কি আছিল?


৩.৪ জনজাতীয় অধিপতিসকল

বিভিন্ন স্থানত বিভিন্নজনে আহোমসকলৰ শাসন আৰু শক্তি বিষয়ে বহলাই আলোচনা কৰিছে। একেখিনি সময়তে অসমৰ বিভিন্ন অঞ্চলত জনজাতীয় অধিপতিসকলৰ শাসন চলিছিল। ইয়াৰে কেইগৰাকীমান অধিপতিয়ে নিজৰ সবল আৰু গুৰুত্বপূৰ্ণ ৰাজনৈতিক শাসন ব্যৱস্থাৰ জৰিয়তে গুৰুত্বপূৰ্ণ স্থিতি লাভ কৰিছিল। প্ৰাক্-ঔপনিৱেশিক অসমত কেইবাটাও উল্লেখযোগ্য জনজাতীয় শাসন ব্যৱস্থাৰ প্ৰচলন আছিল। স্ব-শাসনৰ জৰিয়তে অসমৰ ইতিহাসত গুৰুত্বপূৰ্ণ স্থান দখল কৰা দুটামান উল্লেখনীয় জাতি-জনগোষ্ঠী হ'ল- চুতীয়া, কছাৰী, জয়ন্তীয়া আৰু কোচসকল। তলত প্ৰাক্-ঔপনিৱেশিক অসমৰ এই জনজাতীয় ৰাজনৈতিক শাসনকালবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

- **কছাৰীসকল ঃ** অসমৰ বিভিন্ন অঞ্চলত কছাৰীসকলে বাস কৰি আহিছে। তেওঁলোকক অঞ্চলভেদে ভিন্ ভিন্ নামেৰে জনা যায়। ব্ৰহ্মপুত্ৰ উপত্যকাত তেওঁলোক বৰো নামেৰে আৰু উত্তৰ-কাছাৰ পাৰ্বত্য জিলাত ডিমাচা নামেৰে জনাজাত। ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰ দক্ষিণ পাৰে দিখৌ আৰু কলং নদীৰ পাৰ, উত্তৰ-কাছাৰ পাৰ্বত্য অঞ্চল আৰু ধনশিৰি উপত্যকাত কছাৰী ৰাজ্যৰ উৎপত্তি আৰু বিকাশৰ তথ্য পোৱা যায়।
- **চুতীয়াসকল ঃ** চুতীয়াসকলক মংগোলীয় মূলৰ বুলি ধৰা হয়। তেওঁলোকে বৰো' গোষ্ঠীয় ভাষাৰে কথা পাতে। পশ্চিমে চিচি নদীৰ পৰা পূবে ব্ৰহ্মকুণ্ডলৈ আৰু উত্তৰৰ পাহাৰমালাৰ পৰা দক্ষিণৰ বুঢ়ীদিহিং নদীলৈ চুতীয়া ৰাজ্যৰ সীমা বিয়পি আছিল। চুতীয়া ৰাজ্যৰ ৰাজধানী আছিল শদিয়া।
- **জয়ন্তীয়াসকল ঃ** জাতিগতভাৱে জয়ন্তীয়াসকলক মংগোলীয় গোট (Palea-Mongoloid)ৰ লোক বুলি ধৰা হয়। প্ৰাচীন কালত মেঘালয়ৰ জয়ন্তীয়া পাহাৰ (বৰ্তমানৰ) আৰু বৰাক উপত্যকাৰ সমভূমি অঞ্চললৈকে জয়ন্তীয়া ৰাজ্যৰ সীমা বিয়পি আছিল।
- **কোচসকল ঃ** বিশ্বসিংহ আছিল কোচ ৰাজ্যৰ প্ৰতিষ্ঠাপক। সমসাময়িক অসমৰ নামনি অঞ্চলত কোচ ৰাজ্য সবাতোকৈ শক্তিশালী ৰাজ্য আছিল বুলি কোৱা হয়। কোচসকলকো মংগোলীয় মূলৰ লোক বুলি ধৰা হয়। পৰৱৰ্তী সময়ত তেওঁলোকে হিন্দু ধৰ্মীয় বিশ্বাস গ্ৰহণ কৰিছিল।

ইয়াৰ উপৰি প্ৰাচীন অসমত নগা, খাম্‌টি, ডফলা আদি আৰু আন বহুতো জনজাতিয়ে

সুনিৰ্দিষ্ট এলেকাত নিজ নিজ শাসন চলাইছিল। বৰ্তমান বিভিন্ন নগা জনগোষ্ঠীৰ বাসস্থান নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশত যদিও পূৰ্বতে বহুতো নগা জনজাতীয় লোকে অসমৰ ধনশিৰি উপত্যকা আৰু উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চলত বাস কৰিছিল। ডফলাসকলৰ জনপ্ৰিয় নাম হ'ল নিশ্বি। তেওঁলোকে আগতে অসমৰ দৰং আৰু লখিমপুৰ জিলাত বাস কৰিছিল। আদিসকলক আবৰ নামেৰেও জনা যায়। পূৰ্বতে তেওঁলোকে সোৱণশিৰি আৰু দিবং নৈৰ উপত্যকাত বাস কৰিছিল যদিও পৰৱৰ্তী সময়ত ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজিত হৈছিল। আহোমসকলৰ দৰে খাম্‌টিসকলৰো পূৰ্বপুৰুষ হ'ল বাৰ্মাৰ শ্বানসকল। বাৰ্মাৰ পৰা প্ৰব্ৰজন ঘটা খাম্‌টিসকলে আহি অসমৰ শদিয়াত থিতাপি লৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ আহোমসকলৰ শাসন কালত অসমত বসবাস কৰি থকা জনজাতি সম্প্ৰদায়বোৰৰ ৰাজ্য কেইখনমানৰ নাম উল্লেখ কৰক।


৩.৫ অসম বৃটিছ সাম্ৰাজ্যত চামিল ভৱন

অসমত বৃটিছসকলৰ আনুষ্ঠানিক প্ৰৱেশ ৰাজ্যখনৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। ইয়াৰ লগে লগে অঞ্চলটোত নানা ধৰণৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিৱৰ্তন ঘটিছিল। ভাৰতৰ বিভিন্ন অঞ্চলতকৈ অসমত বৃটিছসকলে যথেষ্ট পলমকৈ প্ৰৱেশ কৰিছিল। অসমৰ ওপৰত বৃটিছসকলৰ নিয়ন্ত্ৰণ ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত ১৮২৬ চনৰ পৰাহে আনুষ্ঠানিকভাৱে আৰম্ভ হৈছিল। ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হোৱাৰ লগে লগে অসমত বৃটিছৰ নিয়ন্ত্ৰণ আৰম্ভ হৈছিল। এই সন্ধিৰ জৰিয়তে অসমৰ নিয়ন্ত্ৰণ বাৰ্মাৰ হাতৰ পৰা বৃটিছৰ হাতলৈ গৈছিল। অসমত বৃটিছসকলৰ আগমনৰ লগে লগে আহোমসকলৰ আনুষ্ঠানিক পতন সুনিশ্চিত হৈ পৰিছিল। অৱশ্যে এইখিনিতে মনত ৰাখিবলগীয়া কথাটো হ'ল অসমত বৃটিছৰ প্ৰৱেশ ১৭৯২-১৭৯৮ চনতেই আৰম্ভ হৈছিল। এই সময়ছোৱাত চলা কেপ্তেইন ট'মাচ ৱেলশ্বৰ অভিযানক অসমত প্ৰথম বৃটিছ অভিযান বুলি কোৱা হয়। আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহ আৰু দৰঙী ৰজাৰ পুত্ৰ কৃষ্ণনাৰায়ণৰ মাজৰ বিবাদ নিষ্পত্তি কৰিবলৈ কেপ্তেইন ৱেল্‌শ্ব অসমলৈ আহিছিল। বিবাদ নিষ্পত্তিৰ পাচত তেওঁ অঞ্চলটোৰ কাম- কাজত আগ্ৰহ প্ৰদৰ্শন কৰিছিল আৰু অভ্যন্তৰীণ ৰাজনৈতিক-প্ৰশাসনিক বিষয়ত হস্তক্ষেপ কৰিবলৈ লৈছিল। ১৭৯৪ চনত কেপ্তেইন ৱেল্‌শ্বে অসম এৰিছিল।

বৃটিছে প্ৰথমে বংগ দখল কৰিছিল। তেওঁলোকে বাৰ্মা আৰু বংগৰ মাজত অৱস্থিত অসমৰ মধ্যৱৰ্তী মণ্ডল (buffer zone) ৰূপে থকা সম্ভাৱনীয়তাবোৰ উপলব্ধি কৰিছিল। অসমৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিলে প্ৰশাসনী কাম-কাজ আৰু সমগ্ৰ অঞ্চলটো নিয়ন্ত্ৰণ কৰাটো সহজ হৈ পৰিব বুলি বৃটিছে গম পাইছিল। বাৰ্মাৰ সৈন্য বাহিনীক অসমৰ পৰা খেদাই অসমক বাৰ্মাৰ কবলৰ পৰা

মুক্ত কৰা বাবে প্ৰথম অৱস্থাত বৃটিছসকলক প্ৰশংসা কৰা হৈছিল। কিন্তু অতি সোনকালেই তেওঁলোকে অসমৰ গুৰুত্বপূৰ্ণ অংশবোৰ নিজ নিয়ন্ত্ৰণাধীন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে। দিন বাগৰাৰ লগে লগে বৃটিছে অঞ্চলটোত নিজৰ নিয়ন্ত্ৰণ ক্ৰমে বৃদ্ধি কৰিছিল। তেতিয়াহে অসমৰ স্থানীয় বাসিন্দাই বৃটিছৰ প্ৰকৃত অভিপ্ৰায় বুজিব পাৰিলে।

অঞ্চলটোত নিজৰ প্ৰশাসনীয় সামৰ্থ বঢ়াই তুলিবলৈ বৃটিছসকলে বিভিন্ন ধৰণৰ পদ্ধতি আৰু কৌশল প্ৰয়োগ কৰিছিল। এই পৃষ্ঠভূমিত অভ্যন্তৰীণ সীমাৰেখাৰ অনুজ্ঞা (innerline permit) আৰু বাহ্যিক সীমাৰেখাৰ অনুজ্ঞা (Outer Line Permit) ৰ বিষয়ে আলোচনা কৰা উচিত। ১৮৭৩ চনত অভ্যন্তৰীণ সীমাৰেখা বিষয়ক নিৰ্দেশাৱলী প্ৰণয়ন কৰা হৈছিল। অভ্যন্তৰীণ সীমাৰেখাই কোনো এটা অঞ্চলৰ চাৰিসীমা সূচোৱা ৰেখাডালৰ কথা বুজায়। ইয়াৰ উদ্দেশ্য হ'ল কোনো এক চাৰিসীমাৰ ভিতৰত থকা জনজাতিসকলৰ বৃটিছৰ সৈতে ঘটা আন্তঃক্ৰিয়াৰ লগতে জনজাতি সম্প্ৰদায়বোৰৰ গতিবিধি তথা অন্য কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰা। অভ্যন্তৰীণ সীমাৰেখা পাৰ কৰিবলৈ জনজাতীয় লোকসকলে সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা অনুমতি ল'ব লাগিছিল। কামৰূপ, দৰং, নগাওঁ, শিৱসাগৰ, লখিমপুৰ, খাচী, গাৰো, নাগা, জয়ন্তীয়া আৰু কাছাৰ পাৰ্বত্য জিলাৰ দৰে বহুকেইখন জিলাত অভ্যন্তৰীণ সীমাৰেখাৰ অনুজ্ঞা প্ৰযোজ্য আছিল। অভ্যন্তৰীণ সীমাৰেখাৰ অনুজ্ঞা লাভৰ নিয়ম প্ৰচলনৰ প্ৰধান কাৰণ আছিল অৰ্থনৈতিক। ই বাণিজ্যিক কাৰ্যকলাপ নিয়ন্ত্ৰণ আৰু ভূমি হস্তান্তৰ বিষয়ক নীতি-নিয়ম নিৰ্ধাৰক আদিৰ কাম কৰিছিল। এইখিনিতে এটা মনত ৰাখিবলগীয়া কথা হ'ল এই অভ্যন্তৰীণ সীমাৰেখা অনুজ্ঞাই পাহাৰীয়া জনজাতিবোৰক ভৈয়াম অঞ্চলত বিচৰণ কৰাৰ অধিকাৰ নিয়ন্ত্ৰণ কৰা নাছিল। সেয়েহে পাহাৰীয়া জনজাতি সম্প্ৰদায়বোৰে ভৈয়াম অঞ্চলত কোনো বাধা নোপোৱাকৈ নিজৰ কাম-কাজ চলাই নিব পাৰিছিল। অৰ্থাৎ, অভ্যন্তৰীণ সীমাৰেখা অনুজ্ঞা আইনে এচাম জনজাতীয় লোকক কোনো অসুবিধা দিয়া নাছিল যদিও এনে অঞ্চবোৰত কোনো ধৰণৰ উন্নয়নমূলক কাৰ্যকলাপ চলা নাছিল। বাহ্যিক সীমাৰেখা হ'ল এক কল্পনিক চাৰিসীমা। ই অভ্যন্তৰীণ সীমাৰেখাৰ বাহিৰৰ অঞ্চলবোৰৰ কথা বুজাইছিল। বৃটিছসকলে এনে সীমা নিৰ্ধাৰণ নাইবা সূচিত নকৰাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ আঁৰৰ কাৰণটো হ'ল বৃটিছে এনে সীমাই সামৰি লোৱা মাটি নিজ প্ৰয়োজন অনুসৰি আৰু ভৱিষ্যতে নিজ স্বাৰ্থপূৰণৰ হকে ব্যৱহাৰ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কোনখন সন্ধিয়ে অসমত বৃটিছ শাসনৰ পথ মুকলি কৰি দিছিল? কোনে এই সন্ধিত চহী কৰিছিল?

৩.৬ অসমৰ পৰা সৃষ্ট ভিন্ ভিন্ ৰাজ্যবোৰ

ইয়াৰ আগৰ শাখাৰ পৰা আমি ঔপনিৱেশিক শাসন কালত অসমত হোৱা ৰাজনৈতিক

পৰিৱৰ্তনবোৰৰ কথা স্পষ্টকৈ জানিব পাৰিলো। উত্তৰ-ঔপনিৱেশিক কালত অসমে আৰু কেইবাটাও ৰাজনৈতিক পৰিৱৰ্তনৰ মাজেৰে গতি কৰিছিল। এনে ৰাজনৈতিক পৰিবৰ্তনৰ বতাহে বৃহত্তৰ অসমখনক খণ্ডিত কৰি আন কেইবাখনো নতুন ৰাজ্যৰ সৃষ্টি কৰিছিল। অসমৰ থলুৱা বাসিন্দাই বহুবাৰ নিজৰ সুকীয়া পৰিচয় প্ৰতিষ্ঠাৰ চেষ্টা চলাইছিল। এনে চেষ্টাৰ সবাতোকৈ পুৰণি ৰূপটো হ'ল অসমীয়াৰ ভাষিক পৰিচয় স্থাপনৰ প্ৰয়াস। ভাষিক পৰিচয় প্ৰতিষ্ঠাৰ প্ৰশ্নটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি থকাৰ সময়তেই উত্তৰ-ঔপনিৱেশিক অসমত পৃথক ৰাজ্যগঠনৰ প্ৰৱণতাই গা কৰি উঠিছিল। এই প্ৰৱণতাবোৰে হিংসাত্মক ৰূপত দেখা দিয়া আৰম্ভ কৰিছিল। কাৰণ এই সময়ছোৱাত স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ অন্বেষণ তথা দাবী কৰি অঞ্চলটোত কেইবাটাও উগ্ৰপন্থী দলে লাহে লাহে সবল স্থিতি গ্ৰহণ কৰিছিল। এই আটাইবোৰ কাৰকে অসমখনক বিভাজিত কৰি একাধিক পৃথক ৰাজ্য গঠন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল যদিও চৰকাৰে ৰাজ্যখনক খণ্ডিত কৰি পৃথক ৰাজ্য গঠন কৰি দিলে উগ্ৰপন্থীৰ সমস্যাটো হ্ৰাস কৰিব পৰা যাব বুলি ভাবিছিল। ইয়াৰ ফলশ্ৰুতিতে উত্তৰ-ঔপনিৱেশিক কালত অসমখনক বিভাজিত কৰি আন কেইবাখনে পৃথক ৰাজ্য গঠন কৰা হৈছিল।

তলত বৃহত্তৰ অসমখনক খণ্ডিত কৰি সৃষ্টি কৰা নতুন ৰাজ্যকেইখনৰ চমু বিৱৰণ দিয়া হ'ল।

নাগালেণ্ড ঃ অসমৰ পৰা খণ্ডিত কৰি নতুনকৈ গঠন কৰা প্ৰথমখন ৰাজ্য হ'ল নাগালেণ্ড। ১৯৬৩ চনত নাগালেণ্ডে এখন সুকীয়া ৰাজ্যৰ মৰ্যাদা লাভ কৰে। নগাসকলে আৰম্ভ কৰা উগ্ৰপন্থাৰ আন্দোলনকে ইয়াৰ প্ৰধান কাৰণ বুলি কোৱা হয়। ১৯৭৫ চনত নগা পাহাৰ তুৱেনচাং এলেকা গঠন কৰা হৈছিল। ১৯৬৩ চনত এই এলেকাটোকে নাগালেণ্ড ৰাজ্যত পৰিণত কৰা হয়।

মিজোৰাম ঃ মিজো নেশ্যনেল ফ্ৰণ্ট নামৰ সংগঠনটোৱে 'জো' লোকৰ বাবে এখন ৰাষ্ট্ৰ গঠনৰ দাবীত উগ্ৰপন্থাৰ অভিযান আৰম্ভ কৰিছিল। ইয়াৰ ফলস্বৰূপে প্ৰথমে মিজো পাৰ্বত্য জিলা নামেৰে এটা কেন্দ্ৰীয় শাসিত অঞ্চল সৃষ্টি কৰা হৈছিল। ১৯৭২ চনত এই অঞ্চলটোক এখন পূৰ্ণ ৰাজ্যৰ মৰ্য্যদা দিয়া হৈছিল।

অৰুণাচল প্ৰদেশ ঃ কোনো বিচ্ছিন্নতাবাদী আন্দোলন নাইবা উগ্ৰপন্থাৰ কাৰ্যলাপৰ ফলত অৰুণাচল প্ৰদেশৰ জন্ম হোৱা নাই। ভাৰত আৰু চীনৰ সীমাত অৱস্থিত পূৰ্বতে উত্তৰ পূৰ ফ্ৰণ্টিয়াৰ এজেন্সী (নেফা) নামেৰে জনাজাত এই অঞ্চলটো কৌশলগত দিশেৰে যথেষ্ট গুৰুত্বপূৰ্ণ। সেয়েহে ১৯৫৪ চনত সৃষ্টি কৰা নেফা অঞ্চলটোক ১৯৭২ চনত এখন কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ ৰূপান্তৰ কৰা হয়। পাচত ১৯৮৭ চনত ইয়াক এখন পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিয়া হয়।

মেঘালয় ঃ মেঘালয়ত এখন 'পাৰ্বত্য ৰাজ্য' (Hill State) গঠনৰ দাবীত বিভিন্ন অভিযান আৰম্ভ হৈছিল। অৱশ্যে এই অভিযানবোৰক এখন পৃথক ৰাজ্য সৃষ্টিৰ একমাত্ৰ কাৰণ বুলিব পৰা নাযায়। ১৯৭২ চনত খাচী পাহাৰ, জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰ অঞ্চলক

সামৰি মেঘালয় ৰাজ্য গঠন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ উত্তৰ-ঔপনিৱেশিক কালত অসমক খণ্ডিত কৰি সৃষ্টি কৰা নতুন ৰাজ্যকেইখনৰ নাম কি কি?



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- টাই জাতিৰ শ্বান ফৈদৰ সদস্য আহোমসকলে ১২২৮ চনত অসমলৈ আহিছিল আৰু টিপামত প্রথম ৰাজধানী স্থাপন কৰিছিল।
- আহোমসকলৰ প্রথম ৰজা আছিল চুকাফা। তেওঁ অঞ্চলটোৰ স্থানীয় জনজাতি সম্প্রদায়বোৰৰ সৈতে বন্ধুত্বপূর্ণ আৰু সৌহার্দ মূলক সম্পর্ক বর্তাই ৰাখিছিল।
- আহোমসকল তেওঁলোকৰ উৎকৃষ্ট আমোলাতন্ত্র, জলসিঞ্চন ব্যৱস্থা, পৰিচালনা দক্ষতা আৰু কৃষি অনুশীলনৰ বাবে জনাজাত হৈ পৰিছিল।
- আহোমসকলৰ বিস্তৃত প্রশাসনিক সংৰচনা আৰু সামর্থৰ দুটা উৎকৃষ্ট উদাহৰণ হ'ল 'পোচা' আৰু 'পাইক' প্রথা,
- ৰাজনৈতিক আৰু সামৰিক কাৰণত ঊনবিংশ শতিকাত আহোম ৰাজ্যৰ পতন ঘটে।
- আহোমসকলৰ ৰাজত্বকালত অসমৰ বিভিন্ন অঞ্চলত জনজাতীয় অধিপতিসকলৰ শাসন চলিছিল। এনেকৈ স্ব- শাসন চলোৱা জনজাতি সম্প্রদায় কেইটামান হ'ল কছাৰী, চুতীয়া, জয়ন্তীয়া আৰু কোচসকল।
- ইয়াণ্ডাবু সন্ধি সম্পদন হোৱাৰ লগে লগে ১৮২৮ চনৰ পৰা অসমত আনুষ্ঠানিকভাৱে বৃটিছৰ শাসন আৰম্ভ হৈছিল। ইয়াৰ আগতে ১৭৯২ চনত অসমৰ কিছুমান বিবাদ অনানুষ্ঠানিকভাবে নিষ্পত্তি কৰিবলৈ বৃটিছ বিষয়া কেপ্তেইন ৰেল্শ্ব অসমলৈ আহিছিল।
- প্রথম অৱস্থাত অসমৰ বাসিন্দাই বৃটিছসকলক আদৰণি জনাইছিল। কিন্তু নিজৰ ক্রমবর্দ্ধিত চামিলকৰণ নীতিৰ ফলত বৃটিছে লাহে লাহে মানুহৰ সদিচ্ছা হেৰুৱাই পেলাইছিল।
- অঞ্চলটোত নিজৰ প্রশাসনীয় নিয়ন্ত্রণ কটকটীয়া কৰি তুলিবলৈ বৃটিছসকলে বিভিন্ন কৌশল অৱলম্বন কৰিছিল। 'অভ্যন্তৰীণ চাৰিসীমা' আৰু 'বাহ্যিক চাৰিসীমা'ৰ অনুজ্ঞা আছিল অসমত প্রশাসনীয় কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিবলৈ বৃটিছসকলে গ্রহণ কৰা দুটা তাৎপর্যপূর্ণ ব্যৱস্থা।
- উত্তৰ-ঔপনিৱেশিক অসমত বিভিন্ন সম্প্রদায়ে বিভিন্ন ৰাজনৈতিক দাবীত বিভিন্ন আন্দোলন অভিযান আৰম্ভ কৰিছিল। এনে এটা দাবী আছিল অসমৰ পৰা আঁতৰি গৈ

পৃথক ৰাজ্য গঠন কৰা।

- কালক্ৰমত বৃহত্তৰ অসমখনক খণ্ডিত কৰি উত্তৰ-ঔপনিৱেশিক যুগত একাধিক নতুন ৰাজ্য গঠন কৰা হৈছিল। বিভিন্ন আন্দোলন অভিযানৰ ফলত সৃষ্টি হোৱা নতুন ৰাজ্যকেইখন হ'ল নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়।



৩.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Gait, Edward. 1906. *A History of Assam*. Calcutta.
2. Reid, Robert. 2013. *History of the Frontier Areas Bordering on Assam : From 1883-1941.* Guwahati: Bhabani Books.



৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১২২৮ চনত। চুকাফা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ উৎকৃষ্ট আমোলাতন্ত্ৰ, জলসিঞ্চন ব্যৱস্থা পৰিচালনা দক্ষতা

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কছাৰী, জয়ন্তীয়া, কোচ আৰু চুতীয়া

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ইয়াণ্ডাবু সন্ধি, ১৮২৬ চন। বৃটিছ আৰু বাৰ্মাৰ মাজত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়



৩.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ আহোম স্বৰ্গদেউ চুকাফাৰ শাসনকালত আহোম আৰু স্থানীয় জনজাতি সম্প্ৰদায়বোৰৰ মাজৰ সম্পৰ্ক কেনে আছিল ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ 'পোচা' আৰু 'পাইক' প্ৰথাৰ বৰ্ণনা কৰক।

(গ) ৰচনাধমী প্ৰশ্ন ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ আহোমসকলৰ সমসাময়িক জনজাতীয় অধিপতিসকলৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ বৃটিছসকলে কেনেদৰে বিভিন্ন প্ৰশাসনীয় ব্যৱস্থাৰ সহায়ত অসমক নিয়ন্ত্ৰণ তথা শাসন কৰিছিল সেয়া ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ঃ উত্তৰ-ঔপনিৱেশিক কালত অসম অঞ্চলত কেনেদৰে পৃথক ৰাজ্য গঠনৰ ধাৰণাটোৱে গা কৰি উঠিছিল ব্যাখ্যা কৰক।

*** ***** ***